**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-10-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

00000

১। রোজগাৰ মেলাৰ সপ্তদশ পৰ্য্যায় কাইলৈ অনুষ্ঠিত হ'ব।

২। সাক্ষৰতা শিক্ষা আৰু জ্ঞানৰ শক্তিয়ে কেৰালাক মানৱ বিকাশৰ ¯কেইবাটাও দিশত অগ্ৰণী ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

৩। ইছৰোৰ অধ্যক্ষ ড০ ভি নাৰায়ণনে গগণযান অভিযানৰ মানৱৰহিত পৰীক্ষামূলক উৎক্ষেপণ জি ৱানৰ ৯০ শতাংশ কাম সম্পূৰ্ণ হৈছে বুলি প্ৰকাশ কৰিছে।

৪। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি বাৰ্লিনত জাৰ্মানীৰ অৰ্থনৈতিক পৰিক্ৰমা আৰু শক্তি মন্ত্ৰী কেথৰিনা ৰিচেক সাক্ষাৎ কৰে।

***আৰু***

৫। অষ্ট্ৰেলিয়াই আজি এডিলেইডত অনুষ্ঠিত চলিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতক ২ উইকেটত পৰাস্ত কৰে।

00000

রোজগাৰ মেলাৰ সপ্তদশ পৰ্য্যায় কাইলৈ অনুষ্ঠিত হ'ব। ইয়াৰ অংশ হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ দেশৰ ৪০ টা স্থানৰ ৫১ হাজাৰৰো অধিক প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰিব। তামিলনাডুত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগণে চেন্নাইত প্ৰাৰ্থীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰিব। একেদৰে আয়ুষ আৰু স্বাস্থ্য তথা পৰিয়াল কল্যাণ দপ্তৰৰ ৰাজ্য মন্ত্ৰী প্ৰতাপ ৰাও যড়াধৱে মদুৰাইত আৰু বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধৰীয়ে তিৰুচিৰাপল্লিত প্ৰাৰ্থীসকলৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰিব।

00000

সাক্ষৰতা শিক্ষা আৰু জ্ঞানৰ শক্তিয়ে কেৰালাক মানৱ বিকাশৰ ¯কেইবাটাও দিশত অগ্ৰণী ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। কেৰালাৰ পালাত আজি ছেইণ্ট থমাছ মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে বৰ্তমানৰ শতিকাটো জ্ঞানৰ শতিকা বুলি অভিহিত কৰা হৈছে, কিয়নো জ্ঞানে এখন সমাজক আগুৱাই

লৈ যায় আৰু আত্ম-নিৰ্ভৰশীল কৰি তোলে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে মহাবিদ্যালয়খনৰ পৰা মাত্ৰ কেইকিলোমিটাৰমান নিলগৰ এখন গাঁৱত জন্মগ্ৰহণ কৰা প্ৰাক্তন ৰাষ্ট্ৰপতি কে আৰ নাৰায়ণনৰ সাধাৰণ পৰিয়ালৰ পৰা দেশৰ সৰ্বোচ্চ পদলৈ যাত্ৰাৰ কথা স্মৰণ কৰে। কেৰালাৰ ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰ, কেন্দ্ৰীয় মন্ত্ৰী জৰ্জ কুৰিয়েন আৰু কেৰালাৰ মন্ত্ৰী ভি এন বাছৱনেও অনুষ্ঠানত ভাষণ দিয়ে। ৰাষ্ট্ৰপতি মুৰ্মুৱে কাইলৈ নতুন দিল্লীলৈ উভতি অহাৰ পূৰ্বে এৰ্ণাকুলামৰ ছেইণ্ট টেৰেছা মহাবিদ্যালয়ৰ এটা অনুষ্ঠানত ভাগ ল'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহীমৰ আমন্ত্ৰণমৰ্মে অহা ২৬ তাৰিখে ২২ সংখ্যক আছিয়ান ইণ্ডিয়া সন্মিলনত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ ল'ব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে তেওঁ মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহীমক দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সংঘ তথা আছিয়ানৰ অধ্যক্ষতাৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰীমোদীয়ে লগতে এই সন্মিলনৰ সফলতাৰ বাবে শুভেচ্ছা জনাইছে আৰু আছিয়ান ভাৰত উমৈহতীয়া কৌশলগত সহযোগিতা অধিক দৃঢ় কৰাৰ বাবে তেওঁৰ প্ৰতিশ্ৰুতিবদ্ধতাক পুনৰ দোহাৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিযোগে জানিবলৈ দিছে যে, এই সন্মিলনত আছিয়ানৰ নেতাসকলে যুটীয়াভাৱে আছিয়ানৰ সৈতে ভাৰতৰ সম্বন্ধৰ অগ্ৰগতি পৰ্য্যালোচনা কৰিব আৰু উমৈহতীয়া কৌশলগত সহযোগিতা সুদৃঢ় কৰাৰ ক্ষেত্ৰত ল'বলগা পদক্ষেপ সন্দৰ্ভত আলোচনা কৰিব। বিজ্ঞপ্তিত এইবুলি প্ৰকাশ কৰা হৈছে যে, ভাৰতৰ এক্ট-ইষ্ট নীতি আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগীৰ ক্ষেত্ৰত আছিয়ানৰ সৈতে ভাৰতৰ সম্বন্ধ সুদৃঢ় কৰাটো হৈছে মূল আধাৰ। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ জয়শংকৰে ২৭ অক্টোবৰত কোৱালালামপুৰত বিংশ পূব এছিয়া সন্মিলনত প্ৰধানমন্ত্ৰীৰ হৈ অংশ ল'ব। পূব এছিয়া সন্মিলনে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত শান্তি, সুস্থিৰতা আৰু সমৃদ্ধিৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাৰ সুবিধা প্ৰদান কৰে আৰু আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিভিন্ন দিশৰ ক্ষেত্ৰত মত-বিনিময়ৰ সুবিধা প্ৰদান কৰে।

ooooo

গগণযান অভিযানৰ মানৱৰহিত পৰীক্ষামূলক উৎক্ষেপণ জি ৱানৰ ৯০ শতাংশ কাম সম্পূৰ্ণ হৈছে আৰু ডিচেম্বৰৰ প্ৰথম সপ্তাহত এই অভিযান উৎক্ষেপণ কৰা হ'ব বুলি মহাকাশ গৱেষণা সংস্থা ইছৰোৰ অধ্যক্ষ ড০ ভি নাৰায়ণনে প্ৰকাশ কৰিছে। বাংগালুৰুত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ড০ নাৰায়ণনে কয়, যে ক্ৰিউ এছকেপ ব্যৱস্থা পেৰাছুট প্ৰণালী আৰু মানৱ সম্পৰ্কীয় অন্য প্ৰযুক্তিৰ পৰীক্ষা সফলতাৰে সম্পন্ন হৈছে। তেওঁ কয়, যে প্ৰথমে মানৱৰহিত অভিযানৰ অংশ হিচাপে ব্যোমমিত্ৰ নামৰ মানৱ আকৃতিৰ ৰবট মহাকাশলৈ প্ৰেৰণ কৰা হ'ব। ২০২৭ চনত মানৱ অভিযান প্ৰেৰণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। নিছাৰ পৃথিৱী নিৰীক্ষণ কৃত্ৰিম উপগ্ৰহ সন্দৰ্ভত তেওঁ কয়, যে ইয়াৰ পেল'ড ১০ৰ পৰা ১৫ দিনৰ ভিতৰত সম্পূৰ্ণৰূপে কাৰ্য্যক্ষম হৈ উঠিব। ভাৰতীয় মহাকাশ কেন্দ্ৰ সন্দৰ্ভত অধ্যক্ষগৰাকীয়ে কয়, যে প্ৰথমটো আধাৰ মডিউল ২০২৮ত উৎক্ষেপণ কৰা হ'ব। ইছৰোৱে ২০৩৫ চনৰ ভিতৰত মহাকাশ কেন্দ্ৰৰ সপোন বাস্তৱায়িত কৰাৰ বাবে কাম কৰি আছে বুলি তেওঁ উল্লেখ কৰে।

ooooo

দেশৰ বিভিন্ন অংশত আজি পৰম্পৰাগত ৰীতি-নীতিৰে ভাতৃ দ্বিতীয়া পালন কৰা হৈছে। ভাতৃ-ভগ্নীৰ মাজৰ অটুত প্ৰেমৰ প্ৰতীক এই উৎসৱক যম দ্বিতীয়া, ভাতৃ দ্বিতীয়া, ভাই দুজ, ভাওবিজ, ভাই টীকা, ভাই ফোঁট নামেৰেও জনা যায়। হিন্দু পঞ্জিকা অনুসৰি প্ৰতি বছৰে কাতি মাহৰ শুক্ল পক্ষৰ দ্বিতীয়াৰ দিনা এই উৎসৱ পালন কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাই দুজ উপলক্ষে দেশবাসীক ওলগ জনাইছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে এই উৎসৱে ভাতৃ-ভগ্নীৰ মাজত পাৰস্পৰিক মৰম-ভালপোৱা আৰু আস্থাৰ প্ৰতীক স্বৰূপ। এই উৎসৱে সকলোৰে জীৱনলৈ সুখ-সমৃদ্ধি আৰু সৌভাগ্যৰ বতৰা কঢ়িয়াই আনে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ লগতে ভাই দুজৰ উৎসৱে ভাতৃ-ভগ্নীৰ মাজৰ সম্বন্ধৰ এনাজৰীডাল অধিক শক্তিশালী কৰি তুলিব বুলি কামনা কৰে।

ooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি বাৰ্লিনত জাৰ্মানীৰ অৰ্থনৈতিক পৰিক্ৰমা আৰু শক্তি মন্ত্ৰী কেথৰিনা ৰিচেক সাক্ষাৎ কৰে। শ্ৰীগোৱেলে সামাজিক মাধ্যমযোগে কয়, যে বৈঠকত বাণিজ্য আৰু বিনিয়োগৰ ক্ষেত্ৰত ভাৰত-জাৰ্মানীৰ সম্পৰ্ক গভীৰ কৰি তোলা, সেউজ শক্তিৰ নিত্য নতুন প্ৰযুক্তি আৰু প্ৰতিৰক্ষা ক্ষেত্ৰত যুঁটীয়া ঔদ্যোগিক আৰু কাৰিকৰী প্ৰযুক্তি বিনিময়ৰ বিষয় লৈ আলোচনা কৰা হয়। আলোচনাত ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত মুক্ত বাণিজ্য চুক্তি চূড়ান্ত কৰাৰ ক্ষেত্ৰত জাৰ্মানীৰ প্ৰতিশ্ৰুতিৰদ্ধতাৰ কথাটোৱে স্থান লাভ কৰে বুলি শ্ৰীগোৱেলে জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ প্ৰতিভা আৰু ব্যৱসায় সুচল কৰি তোলাৰ প্ৰচেষ্টাই জাৰ্মানীৰ কোম্পানীসমূহৰ বাবে বিনিয়োগত বিবিধতা অনা আৰু যোগান শৃংখলা অধিক শক্তিশালী কৰাৰ সুযোগ কঢ়িয়াই আনিছে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে, যে অপাৰেচন সিন্দূৰে ভাৰতৰ ইচ্ছশক্তি আৰু সামৰ্থ্যক প্ৰতিফলিত কৰিছে আৰু প্ৰতিটো প্ৰত্যাহ্বানত সঁহাৰি দিবলৈ ভাৰত সদায়ে সাজু আছে বুলি বিশ্বলৈ বাৰ্তা প্ৰেৰণ কৰিছে। নতুন দিল্লীত আজি নৌ কমাণ্ডাৰসকলৰ সন্মিলনক সম্বোধন কৰি শ্ৰীসিঙে কয়, যে নৌবাহিনীয়ে বন্দৰ তথা উপকূলৰ ওচৰতে থাকিবলৈ পাকিস্তানক বাধ্য কৰিছে। তেওঁ কয়, যে সমগ্ৰ বিশ্বই অভিযানৰ সময়ত নৌবাহিনীৰ পৰাক্ৰম, সামৰ্থ্য আৰু যিকোনো অভিযানৰ বাবে সাজু থকা প্ৰত্যক্ষ কৰিছে। তেওঁ ভাৰত মহাসাগৰ অঞ্চলত নৌবাহিনীৰ অৱস্থিতি বন্ধুত্বপূৰ্ণ ৰাষ্ট্ৰৰ বাবে সৌহাৰ্দ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে আৰু ইয়াৰ বিপৰীতে অঞ্চলটোক অস্থিৰ কৰিব বিচৰাসকলৰ বাবে ভয়ৰ কাৰণ হিচাপে বিবেচিত হৈছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে ভাৰত মহাসাগৰ অঞ্চল সম-সাময়িক ভূ-ৰাজনৈতিক কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে বুলি মন্তব্য কৰিছে। তেওঁ নৌবাহিনীৰ বিভিন্ন সামৰ্থ্য আৰু অঞ্চলটোৰ নেতৃত্বৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ কথা উল্লেখ কৰে।

ooooo

ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি নতুন দিল্লীৰ ৰে'ল ভৱনৰ বিশেষ কক্ষৰ পৰা এই উৎসৱৰ বতৰত ৰে'ল যাত্ৰীসকলৰ যাতায়াতৰ সুবিধাৰ বাবে চলাচল কৰোৱা বিশেষ ৰে'লৰ বিষয়ে সবিশেষ বুজ লয়। তেওঁ সমাগত ষট্ পূজাৰ প্ৰতি লক্ষ্য ৰাখি বাবে ৰে'ল কৰ্তৃপক্ষই যাত্ৰীৰ সুবিধাৰ বাবে গ্ৰহণ কৰা প্ৰস্তুতিৰ বুজ লোৱাৰ বাবে বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। উৎসৱত বতৰত যাত্ৰীৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি ৰে'ল ষ্টেচনসমূহত সু-

ব্যৱস্থা গঢ়ি তোলা আৰু পৰ্য্যাপ্ত নিৰীক্ষণ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। শ্ৰীবৈষ্ণৱে কয়, যে তিনিটা পৰ্য্যায়ত সমগ্ৰ দেশতে ৰে'লৱে বৰ্ড, মাণ্ডলিক পৰ্য্যায় আৰু খণ্ড পৰ্য্যায়ত এনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ কয়, যে আটাইকেইটা পৰ্য্যায়তে সমন্বয়ৰে কাম-কাজ সম্পন্ন কৰা হয়। শ্ৰীবৈষ্ণৱে কয়, যে অতিৰিক্তভাৱে প্ৰতিটো ডাঙৰ ৰে'ল ষ্টেচনত এটা ক্ষুদ্ৰ নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে, যাতে সকলো ৰে'ল ষ্টেচনৰ লগতে সমন্বয় ৰক্ষা কৰিব পৰা যায়। পৰৱৰ্তী চাৰিটা দিনত নিয়মীয়া ৰে'লৰ উপৰিও এহেজাৰ ৫০০ খন বিশেষ ৰে'ল চলাচল কৰোৱা হ'ব। প্ৰতিদিনে প্ৰায় ৩০০ খন বিশেষ ৰে'ল চলোৱা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। উৎসৱৰ বতৰত ৰে'ল যাত্ৰীসকলৰ বাবে পৰ্য্যাপ্ত সুবিধা তথা সেৱা প্ৰদান সুনিশ্চিত কৰি ৰে'ল যাত্ৰা সুনিশ্চিত কৰাৰ বাবে ৰে'ল মন্ত্ৰ্যালয়ে ব্যৱস্থা গ্ৰহণ কৰিছে। চলিত মাহৰ ১ তাৰিখৰ পৰা অহা মাহৰ ৩০ তাৰিখ পৰ্য্যন্ত ১২ হাজাৰৰো অধিক বিশেষ ৰে'ল গাড়ীৰ চলাচলৰ ব্যৱস্থা কৰা হৈছে।

ooooo

নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰ্যালয়ে ৰাষ্ট্ৰীয় সেউজ হাইড্ৰ'জেন অভিযানৰ বাবে লগ'ৰ আৰ্হি প্ৰতিযোগিতা ঘোষণা কৰিছে। মন্ত্ৰ্যালয়ে এটা বিজ্ঞপ্তিযোগে জানিবলৈ দিছে যে, এই প্ৰতিযোগিতাত বিজয়ীগৰাকীক নগদ ১ লাখ টকাৰ পুৰস্কাৰ আৰু প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব। এই লগ'টোৰ আৰ্হিত এই অভিযানৰ কথা, সেউজ হাইড্ৰ'জেন উৎপাদনৰ ক্ষেত্ৰত দেশৰ আত্ম-নিৰ্ভৰশীলতা তথা ইয়াৰ উৎপাদনৰ ক্ষেত্ৰত গোলকীয় হাব তথা ইয়াৰ ব্যৱহাৰ, ৰপ্তানি আদিৰ ক্ষেত্ৰত দেশ উদ্ভাসিত হৈ অহাটো প্ৰতিফলিত হ'ব লাগিব। অহা মাহৰ ৫ তাৰিখৰ ভিতৰত মাই গভ প'ৰ্টেলৰ যোগেদি আগ্ৰহীসকলে তেওঁলোকৰ লগ' দাখিল কৰিব পাৰিব।

ooooo

অষ্ট্ৰেলিয়াই আজি এডিলেইডত অনুষ্ঠিত চলিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতক ২ উইকেটত পৰাস্ত কৰি শৃংখলাত ২-০ ফলাফলেৰে অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰে। অষ্ট্ৰেলিয়াই ২৬৫ ৰাণৰ বিজয় লক্ষ্যৰে খেল খেলি মেথিউ ছৰ্টৰ ৭৪ আৰু কুপাৰ কোণলিৰ অপৰাজিত ৬১ ৰাণৰ সহায়ত ৩ অভাৰ চাৰিটা বল খেলিবলৈ বাকী থকা অৱস্থাত ৮ টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ অৰ্শদীপ সিং, হৰ্ষিত ৰাণা আৰু ৱাছিংটন সুন্দৰে দুটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৯ টা উইকেট হেৰুৱাই ২৬৪ ৰাণ কৰে। ভাৰতৰ হৈ ৰোহিত শৰ্মাই সৰ্বাধিক ৭৩ ৰাণ কৰে।

ooooo

সমাপ্ত